**অসম সাহিত্য সভা**
প্ৰাচ্যবিদ্যাৰ্ণৱ ড° মহেশ্বৰ নেওগ
অসমতত্ত্ব গৱেষণা সংস্থান
যোৰহাট, অসম - ৭৮৫০০১

**নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)**
অসমীয়া বিভাগ
লখিমপুৰ, অসম - ৭৮৭০৩১

**লখিমপুৰ বালিকা মহাবিদ্যালয়**
অসমীয়া বিভাগ
লখিমপুৰ, অসম - ৭৮৭০৩১

# কিতাপৰ বৰ্ষ ২০২৫ উপলক্ষে

অসম সাহিত্য সভাৰ প্ৰাচ্যবিদ্যাৰ্ণৱ ড° মহেশ্বৰ নেওগ অসমতত্ত্ব গৱেষণা সংস্থান, নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত) আৰু লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ উদ্যোগত আয়োজিত ৰাষ্ট্ৰীয় আলোচনা-চক্ৰ

# বিষয় ঃ অসমীয়া কিতাপৰ ইতিহাস

স্থান ঃ নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত), তাৰিখ ঃ ২২ আৰু ২৩ মাৰ্চ, ২০২৫

## National Seminar on 'History of Assamese Books'

Organised by: Asam Sahitya Sabha, North Lakhimpur College [Autonomous] & Lakhimpur Girls' College

Date : 22th & 23th March, 2025, Venue: North Lakhimpur College [Autonomous]

গৱেষণা-পত্ৰ অসমীয়া আৰু ইংৰাজী ভাষাত দিব পৰা যাব।।

গৱেষণা-পত্ৰ অনলাইন মাধ্যমত উপস্থাপন কৰিব খোজাসকলে আগতীয়াকৈ আৱেদন কৰিব লাগিব।

## আলোচনা-চক্ৰৰ মূল বিষয়বস্তু

অসম চৰকাৰে ২০২৫ বৰ্ষটো কিতাপৰ বৰ্ষ হিচাপে পালন কৰাৰ কথা ঘোষণা কৰিছে। সভ্যতাৰ উৎকৰ্ষত কিতাপৰ অৱদানেই আটাইতকৈ বেছি। অসমীয়া মানুহে যেতিয়াৰপৰা কিতাপ ৰচনা, অধ্যয়ন, সংৰক্ষণৰ পৰম্পৰা আৰম্ভ কৰিলে তেতিয়াৰপৰা নতুন সমাজৰ নিৰ্মাণৰ প্ৰক্ৰিয়াও আৰম্ভ হ'ল। পৃথিৱীৰ সকলো বৃহৎ বৌদ্ধিক তথা সামাজিক আন্দোলনৰ মূলতে আছে কিতাপ। অসমৰ নৱবৈষ্ণৱ ধৰ্মীয় আন্দোলনৰ নেপথ্যৰ মূল আহিলা কিতাপ। ঊনবিংশ শতিকাত আৰম্ভ হোৱা অসমীয়াৰ নৱজাগৰণৰ মূলতেও কিতাপেই জড়িত হৈ আছে। আধুনিক অসমৰ সৰ্বস্তৰত কিতাপেই মুখ্য ভূমিকা গ্ৰহণ কৰিছে। ইংৰাজী, বাংলা আদি ভাষাৰ কিতাপৰ লগত কিছু সম্পৰ্ক থাকিলেও অসমীয়া জাতিৰ বৌদ্ধিক ভেটি নিৰ্মিত হৈছে অসমীয়া কিতাপৰ যোগেদি।

অসমীয়া কিতাপৰ ইতিহাস যথেষ্ট বৰ্ণিল। কিতাপৰ লগত সম্পৰ্ক থকা অংগাংগী দিশসমূহো যথেষ্ট চিন্তা উদ্দীপক। কেইবা শ বছৰীয়া হাতেলিখা কিতাপৰ ইতিহাস থকা অসমীয়া কিতাপে ছপা ৰূপ পৰিগ্ৰহণ কৰে ঊনবিংশ শতিকাৰ আগভাগত। অসমীয়া কিতাপৰ ছপা, বিতৰণ, বিপণন আদিৰ দীঘলীয়া ইতিহাস আছে। কেইবা তৰপত এইসমূহৰ ক্ৰমবিৱৰ্তনো ঘটিছে। ভৱিষ্যতেও ঘটি থাকিব। কিতাপৰ বিষয় আৰু বিধাৰো ব্যাপকভাৱে প্ৰসাৰ ঘটিছে। অসমীয়া কিতাপৰ মুদ্ৰণ প্ৰক্ৰিয়াৰ লগতে প্ৰাক মুদ্ৰণ প্ৰক্ৰিয়া সম্পৰ্কেও যথেষ্ট দিশ অধ্যয়ন কৰিব পাৰি। অসমীয়া কিতাপৰ বেটুপাত, ব্যৱহৃত কাগজ, বাইণ্ডিং, দাম আদি দিশত বৰ্তমানলৈ অধ্যয়ন আৰু গৱেষণা হোৱা নাই। এই আলোচনা-চক্ৰই উক্ত আটাইবোৰ দিশত আলোকপাত কৰিব বুলি আশা কৰা হৈছে।

অসম চৰকাৰে ২০২৫ বৰ্ষটো কিতাপৰ বৰ্ষ হিচাপে ঘোষণা কৰি কিতাপৰ প্ৰতি চৰকাৰৰ দায়বদ্ধতাৰ চানেকি দাঙি ধৰিছে। লগতে কিতাপ সম্পৰ্কীয় ন ন কাম কৰিবলৈ উদগনি প্ৰদান কৰিছে। অসমত ইতিপূৰ্বে কিছুসংখ্যক প্ৰতিষ্ঠান আৰু ব্যক্তিৰ প্ৰচেষ্টাত অসমীয়া কিতাপক লৈ কিছুমান কাম সম্পন্ন হৈ আছিল। বৰ্তমান চৰকাৰে লোৱা পদক্ষেপে তেনে কামসমূহৰ গতি ত্বৰান্বিত কৰিব আৰু সমাজৰ সৰ্ব স্তৰত কিতাপৰ প্ৰভাৱ বিয়পি যোৱাত সহায়ক হ'ব। এয়া এই আলোচনা-চক্ৰৰো অন্যতম উদ্দেশ্য।

# ৰাষ্ট্ৰীয় আলোচনা-চক্ৰ ঃ অসমীয়া কিতাপৰ ইতিহাস

## উপ-বিষয়সমূহ

১. অসমীয়া ভাষাৰ সাঁচিপতীয়া পুথিৰ ইতিহাস
২. অসমত সাঁচিপাত, তুলাপাত আৰু সংশ্লিষ্ট লিখন সামগ্ৰীৰ প্ৰস্তুত প্ৰণালী
৩. মধ্যযুগত অসমীয়া পুথি প্ৰণয়নৰ ইতিহাস আৰু নৱ-বৈষ্ণৱ ধৰ্ম
৪. আহোম ৰাজ পৃষ্ঠপোষকতাত প্ৰণীত অসমীয়া পুথিৰ ইতিহাস
৫. কোঁচ ৰাজ্য আৰু অসমীয়া পুথি
৬. সাঁচিপতীয়া পুথি সংৰক্ষণৰ বিভিন্ন ব্যৱস্থা আৰু স্তৰ
৭. অসমীয়া ভাষাৰ ধ্ৰুপদী মৰ্যাদা প্ৰাপ্তিত সাঁচিপতীয়া পুথিৰ ভূমিকা
৮. সাঁচিপতীয়া পুথিৰ পাঠ সমীক্ষা (পদ্ধতি আৰু প্ৰয়োগ)
৯. সাঁচিপতীয়া পুথিৰ পাঠ উদ্ধাৰৰ প্ৰণালীসমূহ
১০. অসমীয়া ছপা কিতাপৰ ইতিহাস
১১. ঊনবিংশ শতিকাৰ অসমীয়া ছপা কিতাপ
১২. অসমীয়া ছপা কিতাপ আৰু আমেৰিকান খ্ৰীষ্টান মিছনেৰীসকলৰ অৱদান
১৩. ব্ৰিটিছ ঔপনিৱেশিক কালত প্ৰশাসনৰ পৃষ্ঠপোষকতাত প্ৰকাশিত অসমীয়া কিতাপ
১৪. ঊনবিংশ শতিকাৰ অসমীয়া পাঠ্যপুথি
১৫. অসমত ছপাশালৰ ইতিহাস
১৬. অসমীয়া কিতাপ ছপা কৰা অসমৰ বাহিৰৰ বিভিন্ন ঐতিহ্যপূৰ্ণ ছপাশালসমূহ
১৭. অসমৰ গ্ৰন্থ প্ৰকাশনৰ ইতিহাস
১৮. অসমৰ ঐতিহ্যপূৰ্ণ প্ৰকাশন প্ৰতিষ্ঠানসমূহ
১৯. বৰ্তমান সময়ত অসমীয়া গ্ৰন্থৰ জগতলৈ অৱদান আগবঢ়োৱা ব্যক্তিগত খণ্ডৰ প্ৰকাশন প্ৰতিষ্ঠাসমূহৰ ইতিহাস আৰু কাৰ্যাৱলী
২০. অসমীয়া কিতাপৰ প্ৰকাশ আৰু উৎকৰ্ষত চৰকাৰৰ ভূমিকা
২১. অসমীয়া কিতাপ সংৰক্ষিত হৈ থকা দেশ-বিদেশৰ পুথিভঁৰালসমূহ
২২. অসমীয়া কিতাপ সংৰক্ষিত হৈ থকা গুৰুত্বপূৰ্ণ ব্যক্তিগত পুথিভঁৰালসমূহ
২৩. অসমীয়া কিতাপৰ ছপা প্ৰযুক্তি আৰু ইয়াৰ বিৱৰ্তন
২৪. অসমৰ ঐতিহ্যপূৰ্ণ গ্ৰন্থ বিপণিসমূহ
২৫. বৰ্তমান অসমৰ গ্ৰন্থ বিপণিসমূহ আৰু সেইসমূহৰ অৱদান
২৬. অসমীয়া গ্ৰন্থৰ প্ৰকাশন তথা বিপণনত অসমৰ বাহিৰৰ প্ৰকাশনৰ ভূমিকা (শ্বিলঙৰ চপলা, কলকাতাৰ শ্ৰীভূমি, মস্কোৰ ৰাডুকা ইত্যাদি)
২৭. ভাৰতীয় সাহিত্য অকাদেমি আৰু অসমীয়া কিতাপ
২৮. নেশ্যনেল বুক ট্ৰাষ্ট আৰু অসমীয়া কিতাপ
২৯. অসম সাহিত্য সভা আৰু অসমীয়া কিতাপ
৩০. অসম প্ৰকাশন পৰিষদ আৰু অসমীয়া কিতাপ
৩১. অসমীয়া কিতাপ প্ৰকাশনত বিভিন্ন গৱেষণা প্ৰতিষ্ঠান তথা উচ্চশিক্ষাৰ প্ৰতিষ্ঠানৰ অৱদান
৩২. অসমীয়া কিতাপ প্ৰকাশন উদ্যোগৰ ইতিহাস আৰু ইয়াৰ গতি-প্ৰকৃতি
৩৩. মাধ্যম আন্দোলন আৰু অসমীয়া কিতাপ
৩৪. প্ৰাথমিক শিক্ষাত অসমীয়া ভাষাৰ পাঠ্যপুথি ঃ ইতিহাস আৰু বিৱৰ্তন
৩৫. মাধ্যমিক শিক্ষাত অসমীয়া ভাষাৰ পাঠ্যপুথি ঃ ইতিহাস আৰু বিৱৰ্তন
৩৬. উচ্চশিক্ষাত অসমীয়া ভাষাৰ পাঠ্যপুথি ঃ ইতিহাস আৰু বিৱৰ্তন
৩৭. অসমীয়া ছপা কিতাপৰ বিভিন্ন প্ৰকাৰ, মান আৰু এইসমূহৰ কাৰিকৰী দিশ
৩৮. অসমীয়া কিতাপৰ ছপা পূৰ্বৱৰ্তী পৰ্বসমূহ আৰু ইয়াৰ গুৰুত্ব
৩৯. অসমীয়া কিতাপৰ বেটুপাত
৪০. অসমীয়া কিতাপৰ দাম
৪১. অসমীয়া কিতাপৰ অন্তৰ্ভাগৰ সজ্জা (লে-আউট)
৪২. অসমীয়া 'ই-বুক' ঃ ইয়াৰ ইতিহাস আৰু গতি-প্ৰকৃতি
৪৩. নব্য মাধ্যম আৰু অসমীয়া কিতাপ
৪৪. অসমীয়া কিতাপৰ 'অনলাইন' বজাৰ
৪৫. অসমীয়া কিতাপৰ প্ৰসাৰত গ্ৰন্থমেলা আৰু সাহিত্য উৎসৱৰ ভূমিকা
৪৬. অসমৰ বিভিন্ন স্থানত অনুষ্ঠিত গ্ৰন্থমেলাসমূহৰ ইতিহাস
৪৭. অসমীয়া ভাষালৈ অনূদিত বিভিন্ন বিধা (genre)ৰ কিতাপৰ ইতিহাস আৰু গুৰুত্ব
৪৮. বিভিন্ন ভাষালৈ অনূদিত অসমীয়া কিতাপৰ ইতিহাস
৪৯. কিতাপ সংৰক্ষণৰ লগত জড়িত বিভিন্ন দিশসমূহ
৫০. অসমীয়া কিতাপৰ ভৱিষ্যৎ
৫১. গ্ৰন্থ অধ্যয়নৰ অভ্যাস গঢ়াত বিভিন্ন কাৰকৰ ভূমিকা (যেনে— শিক্ষা প্ৰতিষ্ঠান, সাহিত্যিক, অভিভাৱক, শিক্ষক, সামাজিক মাধ্যম, গ্ৰন্থমেলা ইত্যাদি)
৫২. ছপা প্ৰযুক্তিৰ সহজলভ্যতা আৰু অসমীয়া কিতাপৰ

জগতত ইয়াৰ প্ৰভাৱ

৫৩. নতুন প্ৰজন্মৰ মানসিক চাহিদা আৰু অসমীয়া কিতাপৰ বিষয় বৈচিত্ৰ্য

৫৪. অসমীয়া পুৰণি গ্ৰন্থৰ 'ডিজিটেলাইজেশ্বন'ৰ বিভিন্ন প্ৰচেষ্টা আৰু ইয়াৰ প্ৰয়োজনীয়তা

৫৫. অসমীয়া সমাজ জীৱনত অসমীয়া কিতাপৰ বিভিন্ন ধৰণৰ প্ৰভাৱ

৫৬. বিভিন্ন সামাজিক বিপ্লৱ আৰু আন্দোলনৰ প্ৰভাৱত ৰচনা কৰা অসমীয়া কিতাপ

৫৭. নতুন প্ৰজন্মক ইতিবাচক প্ৰেৰণা প্ৰদান কৰা অসমীয়া কিতাপ

৫৮. বিভিন্ন বিধা (genre)ৰ অসমীয়া কিতাপৰ ইতিহাস, পৃষ্ঠভূমি আৰু গতি-প্ৰকৃতি। তেনে কিছুমান বিধা হ'ল—

- শিশু উপযোগী গ্ৰন্থ
- অভিধান
- বিশ্বকোষ
- তথ্যকোষ
- ব্যাকৰণ
- খণ্ডবাক্য কোষ
- পৰিভাষা কোষ
- স্বাস্থ্য আৰু চিকিৎসা সম্পৰ্কীয় গ্ৰন্থ
- কৃষি সম্পৰ্কীয় গ্ৰন্থ
- পশুপালন সম্পৰ্কীয় গ্ৰন্থ
- জনপ্ৰিয় বিজ্ঞানৰ গ্ৰন্থ
- কল্প বিজ্ঞানৰ গ্ৰন্থ
- প্ৰকৃতি সম্পৰ্কীয় গ্ৰন্থ
- প্ৰকৃতি সংৰক্ষণমূলক গ্ৰন্থ
- জীৱন উৎকৰ্ষমূলক গ্ৰন্থ
- বিজ্ঞান গ্ৰন্থ
- ধৰ্মগ্ৰন্থ
- বুৰঞ্জী
- ভাষা বিষয়ৰ গ্ৰন্থ
- সংস্কৃতি অধ্যয়ন সম্পৰ্কীয় গ্ৰন্থ
- সমাজ অধ্যয়ন সম্পৰ্কীয় গ্ৰন্থ
- জনগোষ্ঠীয় অধ্যয়ন সম্পৰ্কীয় গ্ৰন্থ
- গীতি সাহিত্য সম্পৰ্কীয় গ্ৰন্থ
- শৰীৰ চৰ্চা সম্পৰ্কীয় গ্ৰন্থ
- নাটক আৰু নাটকৰ সংকলন
- চিত্ৰশিল্প সম্পৰ্কীয় গ্ৰন্থ
- চলচ্চিত্ৰ সম্পৰ্কীয় গ্ৰন্থ
- নৃ-তত্ব সম্পৰ্কীয় গ্ৰন্থ
- ভূগোল বিষয়ৰ গ্ৰন্থ
- জীৱনী
- আত্মজীৱনী
- ভ্ৰমণ গ্ৰন্থ
- ব্যঙ্গ সাহিত্যৰ গ্ৰন্থ
- সাহিত্য-তত্ত্ব সম্পৰ্কীয় গ্ৰন্থ
- বিভিন্ন অনুষ্ঠানে বিভিন্ন উপলক্ষ্যত প্ৰকাশ কৰা
- স্মৃতিগ্ৰন্থ
- ৰচনাৱলী
- আলোচনীৰ একত্ৰ সংকলন
- আন যিকোনো বিধাৰ কিতাপ

**গৱেষণা-পত্ৰ প্ৰস্তুতিৰ সময়ত মন কৰিব**

অসমীয়া কিতাপৰ ইতিহাস সম্পৰ্কে বৰ্তমানলৈ বিশেষ চৰ্চা হোৱা নাই। সেয়ে গৱেষণা-পত্ৰসমূহ এই দিশত বাটকটীয়া হ'ব বুলি আশা কৰা হৈছে। ঐতিহাসিক দৃষ্টিভংগীৰে লিখা বৰ্ণনামূলক গৱেষণা-পত্ৰৰ লগতে সূক্ষ্ম পৰ্যবেক্ষণেৰে সমৃদ্ধ বিশ্লেষণাত্মক গৱেষণা-পত্ৰই এই আলোচনা-চক্ৰক চহকী কৰিলে উদ্দেশ্য সফল হ'ব। উল্লিখিত উপ-বিষয়সমূহৰ বেছিখিনি দিশতে বৰ্তমানলৈ আলোকপাত কৰা হোৱা নাই। সেয়ে আপোনালোকৰ গৱেষণা-পত্ৰসমূহ সঁচা অৰ্থত এই দিশলৈ অৱদান হিচাপে বিবেচিত হ'ব।

## গৱেষণা-পত্ৰ আৰু সাৰাংশ প্ৰেৰণ কৰোঁতে মন কৰিব

| ভাষা | ছফ্টৱেৰ | আখৰ | অন্যান্য |
|---|---|---|---|
| অসমীয়া | পেজমেকাৰ আৰু ৰামধেনু | গীতাঞ্জলি-বল্ড<br>গীতাঞ্জলি-লাইট<br>গীতাঞ্জলি-পি | ▶আমালৈ পিডিএফ ফাইল প্ৰেৰণ নকৰিব, মূল ফাইলটো দিব।<br>▶সাৰাংশৰ শব্দ সংখ্যা ঃ সৰ্বাধিক ২৫০।<br>▶গৱেষণা-পত্ৰৰ শব্দ সংখ্যা ঃ সৰ্বাধিক ৩,০০০।<br>▶বীজ শব্দ ঃ ৩ - ৮ টা |
| ইংৰাজী | মাইক্ৰছফ্ট ৱৰ্ড | টাইমছ নিউ ৰোমান | ▶আমালৈ প্ৰেৰণ কৰা ফাইলৰ নাম নিজৰ নামেৰে দিব। যেনে যদি আপোনাৰ নাম ৰবীন গগৈ, তেন্তে ফাইলৰ নামটো এনেকৈ দিব— Robin Gogoi Abstract বা Robin Gogoi Full Paper<br>▶সাৰাংশ বা গৱেষণা-পত্ৰ প্ৰেৰণৰ সময়ত ইমেইলত বিষয়টো Abstract বা Full Paper বুলি দিব।<br>▶ইমেইল ঃ asmnlc2021@gmail.com |

সাৰাংশ প্ৰেৰণৰ শেষ তাৰিখ ঃ ৮ মাৰ্চ, ২০২৫।। নিৰ্বাচিত সাৰাংশৰ তালিকা প্ৰকাশৰ তাৰিখ ঃ ১০ মাৰ্চ, ২০২৫
সম্পূৰ্ণ গৱেষণা-পত্ৰ প্ৰেৰণৰ অন্তিম তাৰিখ ঃ ১৫ মাৰ্চ, ২০২৫।। পঞ্জীয়নৰ অন্তিম তাৰিখ ঃ ১৫ মাৰ্চ, ২০২৫

সাৰাংশ আৰু গৱেষণা-পত্ৰ প্ৰেৰণৰ বাবে ইমেইল ঃ asmnlc2021@gmail.com

পঞ্জীয়ন মাচুল (গৱেষণা-পত্ৰৰ সৈতে অংশগ্ৰহণ) ঃ ১. বৃত্তিধাৰীসকলৰ বাবে ১,০০০.০০ টকা, ২. গৱেষকৰ বাবে ৬০০.০০ টকা, ৩. ছাত্ৰ-ছাত্ৰীৰ বাবে ৩০০.০০ টকা।

পঞ্জীয়ন মাচুল (কেৱল অংশগ্ৰহণ) ঃ ১. বৃত্তিধাৰীসকলৰ বাবে ৪০০.০০ টকা, ২. গৱেষকৰ বাবে ৩০০.০০ টকা, ৩. ছাত্ৰ-ছাত্ৰীৰ বাবে ২০০.০০ টকা।

**দ্ৰষ্টব্য ঃ** ১. অনুগ্ৰহ কৰি সাৰাংশ আৰু গৱেষণা-পত্ৰ টাইপ কৰি মূল ফাইল মেইল কৰিব। 'পিডিএফ' বা 'ইমেজ' গ্ৰহণ কৰা নহয়।

২. নিৰ্বাচিত গৱেষণা-পত্ৰসমূহ একত্ৰিত কৰি এক সংকলন প্ৰকাশ কৰা হ'ব। তাৰবাবে প্ৰয়োজনীয় সংশোধনসহ তেওঁলোকে ১০-০৪-২০২৫ তাৰিখৰ ভিতৰত গৱেষণা-পত্ৰসমূহৰ মূল ফাইল (পিডিএফ নহয়) মেইল কৰিব লাগিব।

৩. পঞ্জীয়ন মাচুল জমা দিবৰ বাবে বেংক একাউণ্টৰ সবিশেষ—
**Bank A/C no:** 9160 1008 4671 816 (Axis Bank)
**Name: Assamese Department of NLC**
**IFSC:** UTIB0000752 , Branch: North Lakhimpur

৪. পঞ্জীয়নৰ আগতে মাচুল আদায় দিব লাগিব। পঞ্জীয়নৰ সময়ত মাচুল আদায়ৰ 'ৰেফাৰেন্স নম্বৰ' আৰু Screenshot প্ৰয়োজন হ'ব।

**তথ্য পাই থাকিবৰ বাবে হোৱাটছএপ গ্ৰুপ**

National Seminar on History of Assamese Books 22-23 March 2025
WhatsApp group

**পঞ্জীয়নৰ বাবে ফৰ্ম তলৰ QR Code ত পাব**


**(ড° বিমান চন্দ্ৰ চেতিয়া)**
অধ্যক্ষ, নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)
ফোন ঃ 94350-86753

**(ড° সুৰজিৎ ভূঞা)**
অধ্যক্ষ, লখিমপুৰ বালিকা মহাবিদ্যালয়
ফোন ঃ 94350-86064

**(ড° ৰাতুল চন্দ্ৰ বৰা)**
সঞ্চালক, প্ৰাচ্যবিদ্যাৰ্ণৱ ড° মহেশ্বৰ নেওগ অসমতত্ত্ব গৱেষণা সংস্থান, অসম সাহিত্য সভা,
ফোন ঃ 86380-76701

**(ড° অদিতি বেজবৰুৱা)**
পঞ্জীয়ক, প্ৰাচ্যবিদ্যাৰ্ণৱ ড° মহেশ্বৰ নেওগ অসমতত্ত্ব গৱেষণা সংস্থান, অসম সাহিত্য সভা
ফোন ঃ 94353-52361

**(ড° ৰাজশ্ৰী হাজৰিকা)**
সমন্বয়ক, প্ৰাচ্যবিদ্যাৰ্ণৱ ড° মহেশ্বৰ নেওগ অসমতত্ত্ব গৱেষণা সংস্থান, অসম সাহিত্য সভা,
ফোন ঃ 99544-00244

**(ড° অৰবিন্দ ৰাজখোৱা)**
মুৰব্বী, অসমীয়া বিভাগ, নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত), ফোন ঃ 94351-89174, 70029-68932

**(কুসুম্বৰ চেতিয়া)**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, লখিমপুৰ বালিকা মহাবিদ্যালয়,
ফোন ঃ 97071-58023